**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-07-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**--------------------**

সংসদৰ বৰ্ষাকালীন অধিৱেশন অহা সোমবাৰে আৰম্ভ হ'ব। ২১ আগষ্টলৈ চলিবলগীয়া এই অধিৱেশনত ৮ খন নতুন বিধেয়ক উত্থাপন হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ ভিতৰত ভৌগোলিক দিশৰ পৰা ঐতিহ্যপূৰ্ণ ক্ষেত্ৰসমূহ সংৰক্ষণৰ বাবে এখন বিধেয়ক উত্থাপন কৰা হ'ব। তদুপৰি আয়কৰ বিধেয়ক ২০২৫, খনি আৰু খনিজ পদাৰ্থ উন্নয়ন আৰু নিয়ামক সংশোধনী বিধেয়কো এই অধিৱেশনত উত্থাপন কৰা হ'ব। এই অধিৱেশনত অপাৰেচন সিন্দূৰ আৰু নিৰ্বাচন আয়োগৰ বিশেষ সংহত ভোটাৰ তালিকা সংশোধনী সন্দৰ্ভত বিৰোধী পক্ষই শাসনাধিস্থ দলক প্ৰশ্ন কৰাৰ সম্ভাৱনা আছে। অধিৱেশনৰ পূৰ্বে চৰকাৰে অহা দেওবাৰে এখন সৰ্বদলীয় বৈঠকৰ আহ্বান জনাইছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াৰ বাবে সকলো ৰাজনৈতিক দলৰ সহযোগিতা কামনা কৰিব। এই অধিৱেশনতে চৰকাৰে মণিপুৰত ৰাষ্ট্ৰপতি শাসনৰ ম্যাদ বৃদ্ধি কৰাৰ বাবে সদনত অনুমতি বিচাৰিব।

০০০০০০

গোলাঘাট জিলাৰ সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাটত বসবাস কৰা অবৈধ দখলকাৰীক উচ্ছেদ কৰা হ'ব বুলি  মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ পাছতেই সৰুপথাৰ সমজিলা প্ৰশাসন আৰু বন বিভাগ তৎপৰ হৈ পৰিছে। ইতিমধ্যে ড্ৰোণৰ সহায়ত সীমান্ত এলেকাত স্থানীয় প্ৰশাসন, চি আৰ পি এফ আৰু বন বিভাগৰ এটা দলে জৰীপ আৰম্ভ কৰিছে। উল্লেখযোগ্য যে উৰিয়ামঘাটৰ প্ৰায় ৩ হাজাৰৰো অধিক বনাঞ্চলৰ ভূমি দখলকাৰীৰ কবলত থকাৰ তথ্য পোৱা গৈছে। অসম-নাগালেণ্ড সীমান্তৰ সোণাৰী বিল, পিঠাঘাট, খেৰবাৰী, দয়ালপুৰ, বিদ্যাপুৰ আদি অঞ্চল অনুপ্ৰবেশকাৰীৰ দখলত আছে। যিকোনো মুহূৰ্ততে সীমান্ত এলেকাত উচ্ছেদ অভিযান চলিব পাৰে বুলি বিভাগীয় সূত্ৰত প্ৰকাশ পাইছে।

০০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত মেলেৰীয়া আৰু জাপানীজ এনকেফেলাইটিছ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগে ব্যাপক সজাগতামূলক কাৰ্যসূচী লৈছে। উজনি অসমৰ গোলাঘাট, ধেমাজি আৰু শোণিতপুৰৰ লগতে নামনি অসমৰ  চিৰাং, নলবাৰী, দৰঙকে ধৰি কেইবাখনো জিলাত জাপানীজ এনকেফেলাইটিছ ৰোগত বহুলোক আক্ৰান্ত হৈছে। একেদৰে পশ্চিম কাৰ্বি আংলং আৰু হোজাই জিলাতো কেইবাগৰাকীও লোক এই ৰোগত আক্ৰান্ত হৈছে। ৰাজ্যত এতিয়ালৈ কমেও ২৫০ লোক এই ৰোগত আক্ৰান্ত হোৱা বুলি স্বাস্থ্য বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে। এই ৰোগৰ ফলত ২৬জন লোকৰ মৃত্যু হৈছে।

০০০০০০

মৰিগাঁও জিলা পৰিষদৰ উদ্যোগত আৰু জাগীৰোড গাঁও পঞ্চায়তৰ সহযোগত জাগীৰোডৰ সৌন্দৰ্য বৰ্দ্ধনৰ বাবে আজি ১০০ জোপা গছপুলি ৰোপনৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মন্ত্ৰী পীযুষ হাজৰিকাই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তেওঁ লগতে পৰিবেশ স্বচ্ছ কৰি ৰখাৰ বাবে আবৰ্জনা পেলাবলৈ তিনিখন বাহন

মুকলি কৰে। তেওঁ জনসাধাৰণক জাগীৰোড নগৰখনক পৰিস্কাৰ-পৰিচ্ছন্ন কৰি ৰাখি সৰ্বাংগসুন্দৰ কৰি তুলিবলৈ আহ্বান জনায়।

oooooo

বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসন সম্পূৰ্ণ ৰূপে সাজু হৈছে। বান পৰিস্থিতিক লৈ আজি হাটশিঙিমাৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত ৰাহুল গুপ্তাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা পৰ্যালোচনা সভাত এ এছ এছ টি চিৰ অধ্যক্ষ প্ৰবীণ কুমাৰ দত্তৰ লগতে জিলা আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ একাংশ বিষয়া উপস্থিত থাকে। পৰ্যালোচনা সভাৰ অন্তত বিষয়াৰ দলটোৱে নাৱেৰে জিলাখনৰ খহনীয়াগ্ৰস্ত এলেকা পৰিদৰ্শন কৰে।

oooooo

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কামৰূপ জিলা প্ৰশাসনৰ সহযোগত আৰু শুৱালকুছি শিল্পী সন্মিলনৰ তত্বাৱধানত কালি শুৱালকুছিত ১৫ দিনীয়া গ্ৰীষ্মকালীন নাট কৰ্মশালা আৰম্ভ হয়। হাজো-শুৱালকুছি সমষ্টিভিত্তিত অনুষ্ঠিত এই নাট কৰ্মশালাত কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই উদ্বোধন কৰে। কৰ্মশালাত অৰ্ধ শতাধিক শিশু আৰু যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰিছে।

oooooo

নগাঁও চহৰৰ অন্যতম সংগীত শিক্ষা প্ৰতিষ্ঠান সুৰ সাধনা সংগীত মহাবিদ্যালয়ে আয়োজন কৰা গ্ৰীষ্মকালীন শিবিৰৰ যোৱা ১৫ জুলাইত সামৰণি পৰে। এই শিবিৰত ছাত্ৰ-ছাত্ৰীসকলৰ সংগীতৰ লগতে মানসিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি সংগীতৰ বিভিন্ন গীত শৈলীৰ আভাস দিয়া। গুৰু প্ৰদ্যুৎ মিশ্ৰই শাস্ত্ৰীয় সংগীত, আৰিফুল হকে গজল, মন্দীপ মহন্তই শিশুগীত আৰু সংস্কৃত গীত, যতীন্দ্ৰ নাথ মহন্তই গীতিকাৰ ৰেণু মহন্তৰ অসমীয়াৰ আধুনিক গীত আৰু ছবনম মেঘালীয়ে ৰবীন্দ্ৰ সংগীত আৰু বিৰিনা পাঠকে কামৰূপীয়া লোকগীতৰ প্ৰশিক্ষণ দিয়ে।

oooooo

যোৰহাট জিলাৰ মৰিয়নি বিধানসভা সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ বাহনত কালি নিশা অচিনাক্ত দুৰ্বৃত্তই আক্ৰমণ কৰে। আক্ৰমণত বাহনখনৰ ক্ষতি হয় যদিও বিধায়কগৰাকী কথমপি ৰক্ষা পৰে। যোৰহাটৰ পৰা গুৱাহাটীলৈ আহি থকা অৱস্থাত বোকাখাটৰ কুৰুৱাবাহী তিনিআলিত এই ঘটনা সংঘটিত হয়।

oooooo

সমাপ্ত